# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 15-09-2025
**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিটিচি নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত ৬ দিন। ইতিমধ্যে শাসক-বিৰোধী উভয় পক্ষই নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বিটিআৰৰ জিলাকেইখনত প্ৰচাৰ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেইবাগৰাকীও মন্ত্ৰী, ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়ো, বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ আৰু চিৰাঙত অনুষ্ঠিত জনসভাত ভাগ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ১৯ নম্বৰ থুৰিবাৰী পৰিষদীয় সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী অজয় কুমাৰ ৰায়ৰ হৈ উলুবাৰী ৰাজহুৱা খেলপথাৰত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰে।

**ৰাইট**

মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ তামুলপুৰ জিলাৰ নাগ্ৰীজুলি পৰিষদীয় সমষ্টিৰ কাউলিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। এই উপলক্ষে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি সন্ধিয়া সভাস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

বাক্সা জিলাৰ ২০ নম্বৰ মথনগুৰি পৰিষদীয় সমষ্টিৰ ঘোৰামাৰাত এ আই ইউ দি এফৰ প্ৰাৰ্থী কুৰপান আলীৰ হৈ বিধায়ক মজিবুৰ ৰহমানে প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ooooo

বঙাইগাওঁ জিলাৰ তিনিওটা বিধানসভা সমষ্টিত বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হৈছে। শিশু আৰু ১৮ বছৰৰ তলৰ কিশোৰ-কিশোৰীক চিকিৎসা সেৱা আৰু ৰোগ সম্পৰ্কীয় পৰামৰ্শ আগবঢ়োৱাৰ উদ্দেশ্যে এই স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। বঙাইগাওঁ জিলা স্বাস্থ্য সেৱাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ বলেন্দ্ৰ নাৰায়ণ ডেকাই সংবাদমেল যোগে এই কথা প্ৰকাশ কৰে। এই বৃহৎ স্বাস্থ্য মেলাত ৫০ ৰো অধিক ৰোগৰ চিকিৎসক তথা বিশেষজ্ঞসকলে ৰোগ সম্পৰ্কীয় পৰামৰ্শ আগবঢ়াব বুলি ডাঃ ডেকাই মন্তব্য কৰে। অহা ১৮ ছেপ্তেম্বৰত উত্তৰ বঙাইগাওঁ উচ্চ বিদ্যালয়ৰ প্ৰাঙ্গনত, ১০ অক্টোবৰত অভয়াপুৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ লগতে ১৬ অক্টোবৰত লেংটিচিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বৃহৎ স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। আনহাতে **সেৱা হী সমৰ্পন সেৱা সপ্তাহ** উপলক্ষে অহা ১৭ ছেপ্তেম্বৰত জিলাখনৰ চিলাৰায় ইন্দোৰ ষ্টেডিয়ামত ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে বুলিও যুটীয়া স্বাস্থ্য সঞ্চালকগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে কয়, যে ২২ ছেপ্তেম্বৰত জিলাখনৰ তিনিওটা বিধানসভা সমষ্টিত এশগৰাকীকৈ যক্ষ্মা ৰোগীক নিক্ষয় মিত্ৰই পুষ্টিকৰ আহাৰ প্ৰদান কৰিব।

ooooo

শ্ৰীভূমি জিলা কংগ্ৰেছ সমিতিৰ উদ্যোগত আজি শ্ৰীভূমি চহৰৰ ইন্দিৰা ভৱনত ৪১ সংখ্যক মহিলা কংগ্ৰেছৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। সভাত অংশ গ্ৰহণ কৰি জিলা কংগ্ৰেছৰ সভাপতি তাপশ পুৰকায়স্থই কয়, যে কংগ্ৰেছ দলে মহিলাসকলক সদায় সন্মান প্ৰদান কৰি আহিছে। আজিৰ অনুষ্ঠানত সাংস্কৃতিক কাৰ্যসূচীও প্ৰদৰ্শন কৰা হয়। উল্লেখযোগ্য যে ৰাজ্যিক মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ নেতৃত্বত ৰাজ্যৰ বিভিন্ন জিলাত এই দিৱস পালন কৰা হৈছে।

০০০০০

বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, বীৰেন্দ্ৰনাথ পাটগিৰিৰ অভিনন্দন গ্ৰন্থ **জীৱন নদীৰ মোহনাত** আজি উন্মোচন কৰা হয়। শিক্ষাবিদগৰাকীৰ ৮৬ সংখ্যক ওপজা দিনৰ সৈতে সংগতি ৰাখি উন্মোচন কৰা এই গ্ৰন্থখন বজালীৰ বিশিষ্ট লেখক লক্ষ্মী দাসে সম্পাদনা কৰিছে। শিক্ষাবিদ পাটগিৰিৰ বজালীৰ বামাখাটাৰ ইন্দ্ৰাপাৰাৰ বাসগৃহত অনুষ্ঠিত এটা অনুষ্ঠানত প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° যোগেশ কাকতিয়ে গ্ৰন্থখন উন্মোচন কৰে।

০০০০০

সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ডিব্ৰুগড় জিলা সমিতিয়ে আজি ডিব্ৰুগড় মহানগৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। চাহপাতৰ ন্যূনতম মূল্যৰ দাবীত ক্ষুদ্ৰ চাহ খেতিয়কসকলে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। আন কেইবাটাও সমস্যা সমাধানৰ দাবীৰে চাহ খেতিয়কসকলে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীত জিলাখনৰ এহেজাৰৰো অধিক ক্ষুদ্ৰ চাহ খেতিয়কে অংশগ্ৰহণ কৰে।

০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আবুধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত গ্ৰুপ এৰ এখন খেলত সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ-ওমানৰ মুখামুখি হৈছে। টছত জিকি ওমানে বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেট ধৰি ইউ এ ইয়ে ওমানক ১৭৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ওমানে ১৮ অভাৰ ৪ টা বলত ১৩০ ৰান সংগ্ৰহ কৰি খেলি আছে।

প্ৰতিযোগিতাৰ আন এখন খেলত ডুবাই আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত গ্ৰুপ এৰ আন এখন খেলত শ্ৰীলংকা-হংকঙৰ মুখামুখি হৈছে। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে হংকঙে ১৫ অভাৰ ৪ টা বলত ৩ টা উইকেট হেৰুৱাই ১১৮ ৰান কৰি খেলি আছে।

প্ৰতিযোগিতাত ভাৰত কাইলৈ হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ